দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত
২১ আগষ্ট ২০২৬ ■ শুকুৰবাৰ ■ ৩ ভাদ, ১৯৪৮ শক



# উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ তিনিমাহজোৰা সতৰ্কতা সজাগতা অভিযান আৰম্ভ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ২০ আগষ্ট ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৰেই সতৰ্কতা সজাগতা সপ্তাহৰ সূচনা উপলক্ষ্যে ১৭ আগষ্টৰ পৰা ১৮ নৱেম্বৰ, ২০২৬ লৈ তিনিমাহজোৰা সতৰ্কতা সজাগতা অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে ৰে'লৰে বিষয়াবৰ্গ আৰু কৰ্মচাৰীসকলৰ মাজত সততা, স্বচ্ছতা আৰু নৈতিক আচৰণৰ প্ৰসাৰ ঘটোৱাৰ লগতে ৰাজহুৱা সেৱাত সতৰ্কতা বজাই ৰখাৰ গুৰুত্ব সম্পৰ্কে অধিক সজাগতাৰ সৃষ্টি কৰা। এই অভিযানৰ অংশ হিচাপে ২০ আগষ্ট, ২০২৬ তাৰিখে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য কাৰ্যালয় চৌহদত সততাৰ শপত বাক্য পাঠ কৰোৱায়। আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৰে (নিৰ্মাণ)ৰ মহাপ্ৰবন্ধক আশীষ বানছালে মালিগাঁৱৰ মহাপ্ৰৱন্ধক (নিৰ্মাণ)ৰ কাৰ্যালয় চৌহদত শপত গ্ৰহণ অনুষ্ঠানৰ নেতৃত্ব প্ৰদান কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ সকলো মণ্ডলৰ মণ্ডল ৰে'লৰে প্ৰবন্ধকসকলৰ লগতে সমগ্ৰ উত্তৰ-পূব সীমান্ত ৰে'লৰে পৰিয়ালৰ বিষয়াবৰ্গ আৰু কৰ্মচাৰীসকলেও সততাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই শপত গ্ৰহণৰ মূল লক্ষ্য হৈছে ৰেলৰেৰ সমগ্ৰ কামকাজৰ ক্ষেত্ৰত সততা আৰু স্বচ্ছতা প্ৰতিষ্ঠা কৰি জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে, বিশেষকৈ কৰ্মক্ষেত্ৰত, দুৰ্নীতি নিৰ্মূল কৰা। চলিত বৰ্ষৰ সতৰ্কতা সজাগতা সপ্তাহৰ মূল বিষয়বস্তু হ'ব "সমৃদ্ধিৰ বাবে সততা"। সজাগতা অভিযানৰ অংশ হিচাপে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য কাৰ্যালয় চৌহদৰ পৰা এক ৱাকাথন/সতৰ্কতা সজাগতা সমদলো উলিওৱা হয়। এই সমদলত ৰে'লৰেৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ স্কাউটছ এণ্ড গাইডছেও অংশগ্ৰহণ কৰে। এই অভিযানৰ উদ্দেশ্য হৈছে ৰে'লৰে কাম-কাজৰ সকলো স্তৰত সততা, স্বচ্ছতা, সতৰ্কতা আৰু দায়বদ্ধতাৰ সংস্কৃতি অধিক শক্তিশালী কৰি সমগ্ৰ অংশীদাৰসকলক এক স্বচ্ছ আৰু দুৰ্নীতিমুক্ত কৰ্মপৰিৱেশ গঢ়ি তোলাত অৰিহণা যোগাবলৈ উৎসাহিত কৰা।

# উত্তৰ গুৱাহাটী দিহিংসত্ৰ বৰজনা নামঘৰৰ নামঘৰীয়া পুতুল কলিতাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ২০ আগষ্ট ঃ** উত্তৰ গুৱাহাটী দিহিংসত্ৰ বৰজনা নামঘৰৰ নামঘৰীয়া দিহিংসত্ৰ স্হায়ী বাসিন্দা পুতুল কলিতাৰ আজি পুৱা ৪ মান বজাত নিজগৃহত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছু দিন ধৰি কলিতা গুৰুতৰ ভাৱে অসুস্থ হৈ আছিল। আজি দিহিংসত্ৰ বৰজনা নামঘৰৰ নামঘৰীয়া গৰাকীৰ মৃত্যু বাতৰি বিয়পি পৰাৰ লগে লগে অসংখ্য গুণমুগ্ধ নামঘৰীয়া গৰাকীৰ গৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উত্তৰ গুৱাহাটী দিহিংসত্ৰ কীৰ্তনীয়া খেলৰ পাঠক ইন্দ্ৰজিৎ কলিতাই বৰজনা নামঘৰৰ হৈ এখন ফুলাম গামোচাৰে নামঘৰীয়া গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি



কলিতাই কয় পুতুল কলিতাই বৰজনা নামঘৰৰ নামঘৰীয়া দায়িত্ব লাভ কৰাৰ পিছৰে পৰা অতি নিষ্ঠাৰে তেওঁৰ দায়িত্ব পালন কৰিছিল। আমি কলিতাক হেৰুৱাই মৰ্মাহত হৈছোঁ। কলিতাই সমাজৰ বাবে যি দি থৈ গ'ল আমি কেতিয়াও পাহৰিব নোৱাৰো বুলি কয়। কলিতাৰ শূন্যতা আমি পদে পদে অনুভৱ কৰিম। তেওঁ কলিতাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰে। অতি অমায়িক আৰু স্বভাৱ সুলভ কথাৰে অঞ্চলটোৰ প্ৰতিজন লোকৰ হৃদয় জয় কৰা কলিতাৰ মৃত্যুত উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ লগতে উত্তৰ গুৱাহাটীৰ বিভিন্ন দল সংগঠনৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰা হয়। পিছত অগণন গুণমুগ্ধৰ উপস্থিতিত উত্তৰ গুৱাহাটী পশ্চিমাঞ্চল ৰাজহুৱা শ্মশানত নামঘৰীয়া পুতুল কলিতাৰ অন্তিম সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত ৮২ বছৰ হোৱা কলিতাই পত্নী, দুজন পুত্ৰ, দুগৰাকী কন্যাৰ লগতে দুজন জোৱাই আৰু কেইবাটাও নাতি নাতিনী ইহসংসাৰত এৰি থৈ যায়। নামঘৰীয়া গৰাকীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে।

### উত্তৰ গুৱাহাটী আৰু দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা মন্ত্ৰী কৌশিক ৰায়ৰ

# সন্মিলিত প্ৰচেষ্টাৰে প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰি নিৰ্দিষ্ট সময়ত কাৰ্যক্ষম কৰিবলৈ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ আগষ্ট ঃ** গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি গুৱাহাটী জল ব'ৰ্ডৰ অধীনত ৰূপায়ণ হৈ থকা উত্তৰ গুৱাহাটী আৰু দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্প দুটাৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানসমূহ পৰ্যালোচনা কৰে। পুৱাৰ ভাগত মন্ত্ৰীগৰাকীয়ে উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প পৰিদৰ্শন কৰি সংশ্লিষ্ট বিষয়াসকলৰ সৈতে প্ৰকল্পটোৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত আলোচনা কৰে। গুৱাহাটী জল ব'ৰ্ডৰ পৰিচালন সঞ্চালক ৰোহন কুমাৰ ঝাই মন্ত্ৰীগৰাকীক অৱগত কৰে যে প্ৰকল্পটো উদ্বোধন কৰাৰ পৰ্যায়ত উপনীত হৈছে। প্ৰকল্পটোৰ মুঠ পাঁচটা ডি এম এ-ৰ ভিতৰত ইতিমধ্যে তিনিটা ডি এম এ-ৰ পৰিষ্কাৰকৰণ আৰু পৰীক্ষণ সম্পূৰ্ণ কৰা হৈছে। অৱশিষ্ট দুটা ডি এম এ-ৰ পৰিষ্কাৰকৰণ আৰু পৰীক্ষামূলক সঞ্চালনৰ কাম আই আই টি গুৱাহাটীৰ পৰা খহনীয়া সুৰক্ষা সুনিশ্চিত কৰিববৰ বাবে নিৰ্মাণ কৰা বেৰ আৰু আনুষংগিক সুৰক্ষা ব্যৱস্থাৰ সন্দৰ্ভত প্ৰয়োজনীয় অনুমোদন লাভ কৰাৰ পিছত গ্ৰহণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ বিভিন্ন অংশ পৰিদৰ্শন কৰি সংশ্লিষ্ট বিষয়াসকলক সমন্বিতভাৱে আৰু নিষ্ঠাসহকাৰে কাম কৰি নিৰ্ধাৰিত সময়সূচী অনুসৰি প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। প্ৰকল্পটোৰ



জৰিয়তে পানী যোগানৰ কাম চলিত বৰ্ষৰ ডিচেম্বৰৰ ভিতৰত আৰম্ভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্পটোৰ দৈনিক পানী শোধন ক্ষমতা ৩৭ নিযুত লিটাৰ আৰু ইয়াৰ দ্বাৰা প্ৰায় ১৫,০০০টা পৰিয়ালক পানী যোগান ধৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। প্ৰকল্পটোৰ প্ৰায় ১২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ বিতৰণ নেটৱৰ্ক আৰু পাঁচটা ডি এম এ আছে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্পস্থলীতে অনুষ্ঠিত এক পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। প্ৰকল্পটোৰ মুঠ পানী শোধন ক্ষমতা দৈনিক ১০৭ নিযুত লিটাৰ আৰু ইয়াৰ দ্বাৰা প্ৰায় ৩০,০০০টা পৰিয়ালক পানী যোগান ধৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। বৰ্তমান এই প্ৰকল্পটোৰ পানী পৰিশোধন ক্ষমতা দৈনিক ১৫ নিযুত লিটাৰ হৈছে। সভাত গুৱাহাটী জল ব'ৰ্ডৰ পৰিচালন সঞ্চালকে প্ৰকল্পটোৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা আৰু বাধাসমূহ মন্ত্ৰীগৰাকীক অৱগত কৰে। বিতং আলোচনাৰ অন্তত মন্ত্ৰী ৰায়ে সকলো সংশ্লিষ্ট সংস্থা আৰু বিভাগৰ মাজত ঘনিষ্ঠ সমন্বয় স্থাপন কৰি বৰ্তমানৰ সমস্যাসমূহ সমাধান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু প্ৰকল্পটো শীঘ্ৰে সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সমস্যাসমূহৰ সমন্বিতভাৱে সমাধানৰ বাবে মন্ত্ৰীগৰাকীয়ে কাইলৈ এখন যুটীয়া পৰ্যালোচনা সভা আহ্বান কৰিবলৈ সংশিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। সভালৈ গুৱাহাটীৰ সংশিষ্ট সকলো বিধায়ক আৰু লোক নিৰ্মাণ, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, এনে এইচ আই ডি চি এল, ৰে'লৰে, অইল ইণ্ডিয়া লিমিটেড, গুৱাহাটী উন্নয়ন প্ৰাধিকৰণৰ লগতে কামৰূপ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ প্ৰতিনিধিসকলকে ধৰি সকলো সংশ্লিষ্ট বিভাগ আৰু সংস্থাক আমন্ত্ৰণ জনাবলৈ নিৰ্দেশ দিয়া হয়। সভাত প্ৰকল্পটোৰ বৰ্তমানৰ বাধাসমূহৰ ওপৰত বিতংভাৱে আলোচনা কৰি সকলো অংশীদাৰৰ সহযোগিতা আৰু সমৰ্থনৰ জৰিয়তে সমাধানৰ পথ নিৰ্ধাৰণ কৰা হ'ব। উল্লেখযোগ্য যে সম্পূৰ্ণৰূপে কাৰ্যক্ষম হোৱাৰ পিছত দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্পই মালিগাঁও, আদাবাৰী, জালুকবাৰী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰী কৌশিক ৰায়ে পুনৰ কয় যে গুৱাহাটীৰ নগৰীয়া পানী যোগান ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে জনসাধাৰণক নিৰ্ভৰযোগ্য আৰু পৰ্যাপ্ত খোৱাপানীৰ যোগান নিশ্চিত কৰাৰ বাবে পানী যোগান প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰা আৰু সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰাটো অতি গুৰুত্বপূৰ্ণ। মন্ত্ৰীগৰাকীৰ পৰিদৰ্শন আৰু পৰ্যালোচনাৰ সময়ত গুৱাহাটী জল ব'ৰ্ডৰ পৰিচালন সঞ্চালক ৰোহন কুমাৰ ঝা, গুৱাহাটী জল ব'ৰ্ডৰ বিষয়াসকল আৰু এল এণ্ড টি-ৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

## বাসুগাঁৱৰ বিশিষ্ট শিল্পী সমীৰ কুমাৰ বিশ্বাসৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা ,বাসুগাঁও, ২০ আগষ্ট ঃ** কাঠ, বাঁহ, তামোল, নাৰিকলৰ বাকলিৰে বিভিন্ন প্ৰতিমূৰ্তি, প্ৰতিচ্ছবি, বিভিন্ন সামগ্ৰী, দুৰ্গাৰ মূৰ্তি তৈয়াৰ কৰি আৰু সেইবোৰ বিভিন্ন ঠাইত প্ৰদৰ্শন কৰি সুনাম কঢ়িয়াই অনাৰ লগতে নাটত অভিনয় কৰি, কবিতা লিখি আৰু বিভিন্ন সামাজিক কাম-কাজত জড়িত হৈ অহা বাসুগাঁও ১ নং ৱাৰ্ড সুভাষ নগৰৰ বাসিন্দা সমীৰ কুমাৰ বিশ্বাস যোৱা কালি নিশা ১.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে । তেওঁ বামপন্থী ভাৱধাৰাৰে প্ৰতিষ্ঠা লাভ কৰা ডি ওৱাই এফ আৰু চি পি আই(এম) বাসুগাঁও শাখাৰ সক্ৰিয় সদস্য আছিল এসময়ত । বিভিন্ন গুণেৰে বিভূষিত সহজ-সৰল জীৱন-যাপন কৰি অহা সহজ-সৰল মনৰ লোক গৰাকী ৭৬ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। আজি ৰাতিপুৱা পৰম্পৰাগত ৰীতি-নীতিৰ মাজেৰে বাসুগাঁও নিচিনাপাৰা ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয় । তেওঁৰ মৃত্যুত অঞ্চলটিৰ বিভিন্ন জনে শোঁক প্ৰকাশ কৰি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে । উল্লেখযোগ্য যে মৃত্যুৰ সময়ত সহধৰ্মিনী সহ এজন পুত্ৰ, এগৰাকী কন্যা, জেষ্ঠ ভাতৃ আদি এৰি থৈ যায়।

# মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৪০টা সমষ্টিৰ খচৰা ফটো ভোটাৰ তালিকা প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ আগষ্ট ঃ** মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৪০টা সমষ্টিৰ খচৰা ফটো ভোটাৰ তালিকা ১৯ আগষ্টত প্ৰকাশ কৰা হয়। অসম চৰকাৰৰ জনজাতীয় পৰিক্ৰমা (ভৈয়াম) বিভাগে জাৰি কৰা ১০.০১.২০২৫ তাৰিখৰ অধিসূচনা নং ইচিএফ ২৯৩১০৩/১০৭৬, ২১.০৭.২০২৬ তাৰিখৰ অধিসূচনা নং ই ২৯৩১০৩/১২১৫, ২১.০৭.২০২৬ তাৰিখৰ অধিসূচনা নং ই ২৯৩১০৩/১২১৯ আৰু পৰৱৰ্তী সময়ত জাৰি কৰা অন্যান্য অধিসূচনাৰ ভিত্তিত এই খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৪০টা সমষ্টিৰ খচৰা ভোটাৰ তালিকা অনুসৰি মুঠ ভোটাৰ সংখ্যা ৬,৫৩,৭২২। ইয়াৰে ৩,২৬,৫৬৬জন পুৰুষ, ৩,২৭,১৫৩ গৰাকী মহিলা আৰু ৩জন অন্যান্য শ্ৰেণীৰ ভোটাৰ। মুঠ ৪০টা সমষ্টিৰ বিপৰীতে ১,০৩০টা ভোটকেন্দ্ৰ আছে। খচৰা ভোটাৰ তালিকা জনসাধাৰণ আৰু ভোটাৰসকলৰ বাবে চক্ৰ বিষয়াৰ কাৰ্যালয়,খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, সংশ্লিষ্ট সমষ্টিৰ অন্তৰ্গত পৌৰসভা, টাউন কমিটি, উপ-পঞ্জীয়কৰ কাৰ্যালয়, আৰক্ষী থানা, চাহ বাগিচা আৰু গাঁও পঞ্চায়তৰ কাৰ্যালয় আৰু ও ই আৰ এম এছ (https://ermssec.assam.gov.in) ৱেবছাইট আৰু সংশ্লিষ্ট জিলা প্ৰশাসনৰ ৱেবছাইটত উপলব্ধ হ'ব। ভোটাৰসকলে ভাৰতীয় নিৰ্বাচন আয়োগে ইতিমধ্যে আবণ্টন কৰা ইপিআইচি নম্বৰ ব্যৱহাৰ কৰি খচৰা ভোটাৰ তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। লগতে অ' ই আৰ এম এছ ৱেবছাইটৰ চিটিজেন কৰ্ণাৰৰ পৰা নিজৰ ভোটকেন্দ্ৰৰ খচৰা ভোটাৰ তালিকাও ডাউনলোড কৰিব পাৰিব। দাবী আৰু আপত্তি দাখিল— খচৰা ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কোনো নাম বা তথ্যৰ বিৰুদ্ধে দাবী বা আপত্তি থাকিলে ০৩ ছেপ্টেম্বৰ, ২০২৬ তাৰিখলৈকে দাখিল কৰিব পাৰিব। দাবী আৰু আপত্তি দাখিলৰ পদ্ধতিৰ বিষয়ে সংশ্লিষ্ট নিৰ্বাচনী পঞ্জীয়ন বিষয়া /সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া অথবা জিলা প্ৰশাসনৰ সৈতে যোগাযোগ কৰি জানিব পাৰিব। দাবী আৰু আপত্তি দাখিলৰ প্ৰ-পত্ৰ ই আৰ অ' / এই ই আৰ অ'ৰ কাৰ্যালয়ৰ লগতে জিলা প্ৰশাসন আৰু ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইটতো উপলব্ধ থাকিব। আগন্তুক মিচিং স্বায়ত্তশাসিত পৰিষদ নিৰ্বাচন, ২০২৬-ত অধিক সংখ্যক যোগ্য ভোটাৰৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্যে আয়োগে ভাৰতীয় নিৰ্বাচন আয়োগৰ পদক্ষেপৰ সৈতে সংগতি ৰাখি ০১.০১.২০২৬ৰ পিছত ভোটাৰ হিচাপে যোগ্যতা অৰ্জন কৰা ব্যক্তিসকলৰ নাম অন্তৰ্ভুক্ত কৰাৰ দাবী বিবেচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশেষকৈ ০১.০৪.২০২৬ বা ০১.০৭.২০২৬ তাৰিখক যোগ্যতাৰ প্ৰাসংগিক তাৰিখ হিচাপে বিবেচনা কৰি, ভাৰতীয় নিৰ্বাচন আয়োগৰ পৰিপূৰক নিৰ্বাচনী তালিকাত অন্তৰ্ভুক্ত হোৱা আৰু বৈধ ভোটাৰ ফটো পৰিচয় পত্ৰ থকা যোগ্য ব্যক্তিসকলৰ নাম মিচিং স্বায়ত্তশাসিত পৰিষদৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ দাবী বিবেচনা কৰা হ'ব। যোগ্য নাগৰিকসকলক এই সুযোগ গ্ৰহণ কৰি নিজৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে প্ৰয়োজনীয় দাবী দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে। আয়োগে সকলো যোগ্য নাগৰিকৰ অংশগ্ৰহণৰ জৰিয়তে আগন্তুক মিচিং স্বায়ত্তশাসিত পৰিষদ নিৰ্বাচন অধিক অন্তৰ্ভুক্তিমূলক আৰু অংশগ্ৰহণমূলক কৰি তোলাৰ বাবে আহ্বান জনাইছে।


**বেংক অফ বৰোদা** – শিৱসাগৰ শাখা

এ. টি. ৰোড, আমোলাপট্টি, এন আৰ এল পেট্ৰল পাম্পৰ ওচৰত, শিৱসাগৰ, অসম– ৭৮৫৬৪০, ইমেইল: sibsag@bankofbaroda.co.in

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে –

| ক্ৰ. নং | ঋণীৰ নাম আৰু ঠিকনা | মুঠ দেয় (লাখত) | বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম | পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | বলিন দোৱাৰী শিৱসাগৰ | ২৩.০৬ | নিৰ্মাণ: টাটা মটৰ্‌ছ<br>মডেল: টাটা এল পি টি ১৯১৬ ডি চি আৰ<br>পঞ্জীয়ণ নং: এএছ০৪চিচি১০২২ | ২৩-০৯-২০২৬<br>সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ১৭,৪৫,০০০/- টকা<br>২) ১,৭৪,৫০০/- টকা<br>৩) ১০,০০০/- টকা | একাউণ্ট নং: ৩৬৯১০০১৫১৮১২১৯<br>আইএফএছচি: BARB0SIBSAG | ১৯-০৯-২০২৬<br>সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৭০০২২৮০৩৫৪-ত যোগাযোগ কৰিব পাৰে।

*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**

**তাৰিখ ঃ ২০-০৮-২০২৬, স্থান ঃ শিৱসাগৰ** — **শাখা মুৰব্বী, বেংক অফ বৰোদা**

**বেংক অফ বৰোদা** – তিনিচুকীয়া শাখা

প্লাজা কমপ্লেক্স, ৰঙাগড়া ৰোড, তিনিচুকীয়া– ৭৮৬১২৫, অসম, ইমেইল: tinsuk@bankofbaroda.bank.in

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে –

| ক্ৰ. নং | ঋণীৰ নাম আৰু ঠিকনা | মুঠ দেয় (লাখত) | বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম | পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | পাৰ্থ দাস তিনিচুকীয়া | ৭.৫৮ | নিৰ্মাণ: ভি ই কমাৰ্চিয়েল<br>মডেল: প্ৰো৫০১৬এইচ এইচএছডিডব্লিউএফ<br>পঞ্জীয়ণ নং: এএছ২৩চিচি১৮৭৩ | ২৩-০৯-২০২৬<br>সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ৪,৫০,০০০/- টকা<br>২) ৪৫,০০০/- টকা<br>৩) ১০,০০০/- টকা | একাউণ্ট নং: ০৯৯৯০০১৫১৮১২১৯<br>আইএফএছচি: BARB0TINSUK | ১৯-০৯-২০২৬<br>সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৮৬৩৮৮৬৪৫৩০-ত যোগাযোগ কৰিব পাৰে।

*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**

**তাৰিখ ঃ ২০-০৮-২০২৬, স্থান ঃ তিনিচুকীয়া** — **শাখা মুৰব্বী, বেংক অফ বৰোদা**

**বেংক অফ বৰোদা** – তেজপুৰ মেইন ৰোড শাখা

এম. জি. ৰোড, মেইন ৰোড, তেজপুৰ, অসম, পিন– ৭৮৪০০১ ইমেইল: vjtezp@bankofbaroda.bank.in

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে –

| ক্ৰ. নং | ঋণীৰ নাম আৰু ঠিকনা | মুঠ দেয় (লাখত) | বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম | পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | প্ৰদীপ কাকতি তেজপুৰ | ৫.৯৪ | নিৰ্মাণ: টাটা মটৰ্‌ছ<br>মডেল: পাঞ্চ এচিচি ১.২এমটি ডিজেড<br>পঞ্জীয়ণ নং: এএছ১২এএইচ৭৭৭৬ | ২৩-০৯-২০২৬<br>সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ৫,৪৫,০০০/- টকা<br>২) ৫৪,৫০০/- টকা<br>৩) ১০,০০০/- টকা | একাউণ্ট নং: ৬৫৫২০০১৫১৮১২১৯<br>আইএফএছচি: BARB0VJTEZP | ১৯-০৯-২০২৬<br>সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৯৭০৬২৩৫৩০১-ত যোগাযোগ কৰিব পাৰে।

*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**

**তাৰিখ ঃ ২০-০৮-২০২৬, স্থান ঃ তেজপুৰ** — **শাখা মুৰব্বী, বেংক অফ বৰোদা**

**বেংক অফ বৰোদা** – ৰঙাজান শাখা

ৰঙাজান তিনিআলি, ডাকঘৰ– মৰঙী, জিলা– গোলাঘাট, অসম– ৭৮৫৭০২ ইমেইল: vjrago@bankofbaroda.bank.in

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে –

| ক্ৰ. নং | ঋণীৰ নাম আৰু ঠিকনা | মুঠ দেয় (লাখত) | বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম | পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | তৰুণ কলিতা গোলাঘাট | ৫.১৭ | নিৰ্মাণ: টাটা মটৰ্‌ছ লিমিটেড<br>মডেল: টিয়াগো এক্স ই ১.২<br>পঞ্জীয়ণ নং: এএছ০৫ভি৪৪৯৫ | ২৩-০৯-২০২৬<br>সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ৩,৮০,০০০/- টকা<br>২) ৩৮,০০০/- টকা<br>৩) ১০,০০০/- টকা | একাউণ্ট নং: ৬৫৪৮০০১৫১৮১২১৯<br>আইএফএছচি: BARB0VJRAGO | ১৯-০৯-২০২৬<br>সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৮৫২৭৮২৮৮৪৩-ত যোগাযোগ কৰিব পাৰে।

*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**

**তাৰিখ ঃ ২০-০৮-২০২৬, স্থান ঃ ৰঙাজান** — **শাখা মুৰব্বী, বেংক অফ বৰোদা**

**বেংক অফ বৰোদা** – ডিব্ৰুগড় শাখা

ছানি কোৰ্ট, আৰ কে বি ৰোড, ডিব্ৰুগড়, অসম– ৭৮৬০০১ ইমেইল: DIBRUG@bankofbaroda.bank.in

**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে –

| ক্ৰ. নং | ঋণীৰ নাম আৰু ঠিকনা | মুঠ দেয় (লাখত) | বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম | পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | অনুপ ধন ডিব্ৰুগড় | ৪.৯৫ | নিৰ্মাণ: মাৰুতি চুজুকি<br>মডেল: চুইফ্ট ভিএক্সআই<br>পঞ্জীয়ণ নং: এএছ ০৬এএল১৭৩৩ | ২৩-০৯-২০২৬<br>সময়: দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ | ১) ৪,৫০,০০০/- টকা<br>২) ৪৫,০০০/- টকা<br>৩) ১০,০০০/- টকা | একাউণ্ট নং: ৩০৪১০০১৫১৮১২১৯<br>আইএফএছচি: BARB0DIBRUG | ১৯-০৯-২০২৬<br>সময়: পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৯৯৯৮৩৩৮৬৮০-ত যোগাযোগ কৰিব পাৰে।

*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**

**তাৰিখ ঃ ২০-০৮-২০২৬, স্থান ঃ ডিব্ৰুগড়** — **শাখা মুৰব্বী, বেংক অফ বৰোদা**

**পাঞ্জাব নেচনেল বেংক** punjab national bank ...the name you can BANK upon! — **বিক্ৰী জাননী** স্থাৱৰ / অস্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে

এআৰএমবি, গুৱাহাটী (823100), প্ৰথম মহলা, জ'নেল অফিচ, হেম বৰুৱা ৰোড, পানবজাৰ, গুৱাহাটী – 781001 (অসম), ই-মেইল: cs8231@pnb.bank.in

ৰেফ নংঃ ARMB/GUWAHATI/E-Auction/sale-notice/02/2026-27 — তাৰিখ: ২০/০৮/২০২৬

**আমানত সুত (বলবৎকাৰী) নিয়ম, ২০০২ৰ নিয়ম ৮ (৬)ৰ নিয়মৰ সৈতে পঢ়া বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন আৰু আমানত সুত বলবৎ কৰা আইন, ২০০২ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰীৰ জাননী ।**

ইয়াৰ দ্বাৰা জনসাধাৰণক আৰু বিশেষকৈ ঋণগ্ৰহণকাৰী (সকল) আৰু গেৰাণ্টৰ (সকল)ক জাননী দিয়া হৈছে যে তলত বৰ্ণনা কৰা স্থাৱৰ সম্পত্তিসমূহ আমানত পাওনাদাৰৰ ওচৰত বন্ধকত ৰখা হৈছে, যাৰ গাঁথনি/ভৌতিক/প্ৰতীকী দখল বেংকৰ অনুমোদিত বিষয়া/আমানত ঋণদাতাই " য'ত আছে", "যেনেকৈ আছে", আৰু "যি আছে" ভিত্তিত তলৰ তালিকাত উল্লেখ কৰা তাৰিখত সংশ্লিষ্ট ঋণগ্ৰহণকাৰী (সকল) আৰু গেৰাণটৰ (সকল)ৰ পৰা বেংক/আমানত পাওনাদাৰৰ ওচৰত বকেয়া ধন আদায়ৰ বাবে লৈছে। সংৰক্ষিত মূল্য আৰু আৰ্ণেষ্ট ধন জমা নিজ নিজ সম্পত্তিৰ বিপৰীতে তলৰ তালিকাত উল্লেখ কৰা ধৰণে হ'ব।

**আমানত সম্পত্তিৰ অনুসূচী**

| লট সংখ্যা | শাখাৰ নাম / একাউণ্টৰ নাম / ঋণগ্ৰহণকাৰী/গেৰাণ্টৰৰ একাউণ্টৰ নাম আৰু ঠিকনা | বন্ধকত ৰখা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/ মালিকৰ নাম (সম্পত্তি(সমূহ)ৰ বন্ধকীদাতা) | ক) চাৰফেচি আইন ২০০২-ৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেচি আইন ২০০২-ৰ ধাৰা ১৩(৪)ৰ অধীনত দলখীকৰণৰ তাৰিখ ঘ) দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (লাখত) খ) ইএমডি (ইএমডি জমা দিয়াৰ অন্তিম তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/ সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত থকা দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১. | ছয় মাইল, গুৱাহাটী (465200)<br>শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী (ঋণগ্ৰহীতা)<br>শ্ৰী সৌগ্ৰকপাম দোলেন্দ্ৰ সিং (সহ-ঋণ গ্ৰহণকাৰী)<br>**শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী(ঋণ গ্ৰহণকাৰী)**<br>**ঠিকনা ১:** স্বামী- সৌগ্ৰাকপাম দোলেন্দ্ৰ সিং লালমাটি, গেমছ ভিলেজ., ব্লক এ৩, ৰুম নং ৩০২, গুৱাহাটী, জিলা-কামৰূপ (মেট্ৰো), পিন ৭৮১০২৯<br>**ঠিকনা ২:** ফৰ্চুন ৰেচিডেঞ্চী, ছাউথ চিটী এপাৰ্টমেণ্ট, টাৱাৰ ২, ব্লক এ, ফ্লেট নং- ২৮১, ৮ম মহলা , লখৰা ৰোড, গুৱাহাটী, জিলা- কামৰূপ (মেট্ৰো), পিন ৭৮১০৩৮<br>**শ্ৰী সৌগ্ৰকপাম দোলেন্দ্ৰ সিং ( সহ- ঋণ গ্ৰহণকাৰী)**<br>**ঠিকনা ১:** পিতাঃ সৌগ্ৰাকপাম মধুমংগোল, লালমাটি, গেমছ ভিলেজ, ব্লক-এ৩, ৰুম নং ৩০২, গুৱাহাটী – ৭৮১০২৯<br>**ঠিকনা ২:** ফৰ্চুন ৰেচিডেঞ্চী, ছাউথ চিটী এপাৰ্টমেণ্ট, টাৱাৰ ২, ব্লক এ, ফ্লেট নং- ২৮১, ৮ম মহলা , লখৰা ৰোড, গুৱাহাটী, জিলা- কামৰূপ মোবাইল: ৭৮৯৬৫২৩৭৮৩ | "ফৰচুন ৰেছিডেঞ্চী (ছাউথ চিটী)" নামৰ বহু-মহলীয়া বিল্ডিঙৰ টাৱাৰ II, ব্লক এ ৰ ৮ম মহলাত থকা, ৩ বেডৰুম-হল-কিচেন আবাসিক ফ্লেট, ফ্লেট নম্বৰ ২৮১, যাৰ ছুপাৰ বিল্ট-আপ এলেকা ১,৬৪৭ বৰ্গফুট। ০.৬০ একৰ জোখৰ মাটিৰ অবিভক্ত আনুপাতিক অংশীদাৰিত্বৰ সৈতে দাগ নং- ১৪৪,৬৪৭(অ)/৮১২(এন) আৰু ১৪৫,৬৪৮(অ)/৮১৩(এন) আৰু কে.পি. পট্টা নং- ৬৯,২১৪(অ)/৪৫৪(এন), আৰু ৩২,৯৮(অ)/ ১৯৬(এন), ঠিকনা- লখৰা ৰোড, ৰাজহ গাঁও সৰুসজাই ১, মৌজা বেলতলা, জিলা- কামৰূপ (মেট্ৰো), অসম । উক্ত ফ্লেটত ১ (এটা ) মুকলি গাড়ী পাৰ্কিং স্থানৰ সৈতে উমৈহতীয়া সুবিধা আৰু এই ভূমিৰ চাৰিসীমা- উত্তৰ: মঞ্জু ঘোষৰ মাটি, দক্ষিণ: জিতু বে'ৰ মাটি, পূব: নগেন কিলিঙৰ মাটি, পশ্চিম: পথ | ক) ২১.০৮.২০২৪<br>খ) ৩০.০৭.২০২৪ তাৰিখ পৰ্যন্ত ৫৬,৩৯,১৯১.১৬ টকা লগতে ৩১.০৭.২০২৪ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ সুত আৰু অন্যান্য মাচুল<br>গ) ০৪-১২-২০২৪<br>ঘ)প্ৰতীকী দখল | ক) ৫৪,৩০,০০০ টকা<br>খ)৫,৪৩,০০০.০০/- টকা। (১০.০৯.২০২৬ বিয়লি ৪ বজালৈ)<br>গ) ০.৫০ লাখ টকা | তাৰিখ: ১১-০৯-২০২৬<br>সময়: পুৱা ১১ বজাৰ পৰা বিয়লি ০৪:০০ বজালৈ | অজ্ঞাত |

**নিয়ম আৰু চৰ্তাৱলীসমূহ:**

এই বিক্ৰী আমানত সুত (বলবৎকৰণ) নিয়ম ২০০২ত নিৰ্ধাৰিত নিয়ম আৰু চৰ্তাৱলী আৰু তলত দিয়া পৰৱৰ্তী চৰ্তসমূহৰ অধীনত হ'ব:

১. **"য'ত আছে", "যেনেকৈ আছে",** আৰু **"যি আছে"** ভিত্তিত এই সম্পত্তি বিক্ৰী কৰা হৈছে ।
২. ইয়াৰ ওপৰত সূচীত উল্লেখ কৰা আমানত সম্পত্তিৰ বিৱৰণ অনুমোদিত বিষয়াৰ তথ্য অনুসৰি উল্লেখ কৰা হৈছে, কিন্তু এই ঘোষণাত কোনো তথ্যৰ ত্ৰুটি, ভুল উল্লেখ বা বাদ দিয়াৰ বাবে অনুমোদিত বিষয়া জবাবদিহি নহ'ব।
৩. **১১.০৯.২০২৬ তাৰিখে পুৱা ১১.০০ বজাত ৱেবছাইট https://baanknet.com ত প্ৰদান কৰা ই-নিলাম প্লেটফৰ্মৰ জৰিয়তে নিম্নোক্ত স্বাক্ষৰকৰীয়ে বিক্ৰী কৰিব**
৪. বিক্ৰীৰ বিশদ নিয়ম আৰু চৰ্তাৱলীৰ বাবে অনুগ্ৰহ কৰি **https://baanknet.com** চাওক।
৫. অনুমোদিত বিষয়া বা বেংকে সম্পত্তিসমূহ (ই-নিলাম) সম্পৰ্কে বেংকৰ জ্ঞানত নথকা কোনো ধৰণৰ চাৰ্জ, লিয়েন, বোজা বা চৰকাৰ বা অন্য কোনো ব্যক্তিৰ বকেয়া আদিৰ বাবে দায়ী নহ'ব। আগ্ৰহী নিলামকাৰীক বিধিগত দায়বদ্ধতা, বকেয়া সম্পত্তি কৰ, বিদ্যুতৰ বাবদ আদিকে ধৰি সম্পত্তিৰ ওপৰত থকা বোজা সম্পৰ্কে নিজাকৈ স্বতন্ত্ৰ অনুসন্ধান কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।
৬. অনুমোদিত বিষয়াই গ্ৰহণযোগ্য বুলি বোধ নকৰিলে কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ যিকোনো সময়তে নিলামৰ চৰ্তসমূহ পিছুওৱা/বাতিল/স্থগিত/বন্ধ বা পৰিৱৰ্তন কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে আৰু এই সন্দৰ্ভত তেওঁৰ সিদ্ধান্তই চূড়ান্ত হ'ব।
৭. নিবিদা দাখিল কৰাৰ পূৰ্বে সম্পত্তি আৰু বৈশিষ্টৰ বিষয়ে পৰিদৰ্শন কৰি নিজকে সন্তুষ্ট কৰাটো নিবিদাকাৰীৰ দায়িত্ব হ'ব। নিবিদাকাৰীয়ে বিৱৰণ দিয়া অনুসৰি কাৰ্যকৰী বিষয়াৰ সৈতে আলোচনা কৰি সম্পত্তি পৰিদৰ্শন কৰিব পাৰিব।

**তাৰিখ: ২০.০৮.২০২৬**
**স্থান: গুৱাহাটী** — **অনুমোদিত বিষয়া পাঞ্জাৱ নেচনেল বেংক**